*Total number of printed pages-03*

**1(Sem-8/FYUGP)BNC(A)/DSCI**

**2024**

**ASSAMESE**

*(Discipline Specific Core)*

**Paper Name: অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাস (১৮২৬ চন পৰ্যন্ত)**

Paper Code: **ASM-DSC-141**

*Full Marks: 60*

*Time: Two and Half Hours*

**(*The figures in the margin indicate full marks for the questions)***

*Answer in Assamese*

**১. অতি চমু উত্তৰ দিয়া -** ১x৭=৭

ক) অসমীয়া সাহিত্যৰ প্ৰথম যুগ বিভাজন কোনে কৰিছিল ?

খ) 'লংকাৰ বিৱৰণ' পাঠটি মাধৱ কন্দলি ৰামায়ণৰ কোনটো কাণ্ডৰ অন্তৰ্গত ?

গ) চৰ্য্যাপদসমূহ হৰপ্ৰসাদ শাস্ত্ৰীয়ে ক'ৰ পৰা উদ্ধাৰ কৰিছিল ?

ঘ) 'উষ্ণা উষ্ণা পৰৱত তই সবৰী বালী' শীৰ্ষক চৰ্যা গীতটোৰ ৰচক কোন ?

ঙ) শংকৰদেৱৰ 'নাৰায়ণ কাহে ভকতি কৰো তেৰা' বৰগীতটি কি ৰাগত ৰচিত ?

চ) 'ভীম চৰিত' কোন শ্ৰেনীৰ কাব্য ?

ছ) 'অসমৰ ৰণোদ্যম' পাঠটি কোনখন গ্ৰন্থৰ পৰা সংগৃহীত ?

**২.** চমু উত্তৰ লিখা **-** ২x৪=৮

ক) এতিয়ালৈকে আৱিষ্কৃত প্ৰাচীনতম অসমীয়া লিপিখনৰ নাম কি আৰু এইখন কোন ঠাইত আবিষ্কাৰ হৈছিল ?

খ) 'হস্তী বিদ্যাৰ্ণৱ' পুথিৰ চিত্ৰসমূহ অংকন কৰা চিত্ৰকৰ দুজনৰ নাম লিখা ।

গ) প্ৰাক শংকৰীযুগৰ সৰ্বশ্ৰেষ্ঠ কবিগৰাকী কোন ? তেওঁ কোন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল ?

ঘ) 'অসমীয়া ব্যাস' বুলি কোনগৰাকী কবিক আখ্যা দিয়া হয় ? তেওঁ কোন ৰজাৰ অনুপ্ৰেৰণাত মহাভাৰতৰ শ্লোক অসমীয়া পদলৈ অনুবাদ কৰিছিল ?

**৩. চমু উত্তৰ লিখা : (যিকোনো তিনিটাৰ)** ৫x৩=১৫

ক) শংকৰোত্তৰ যুগৰ সাহিত্যৰ পটভূমি সন্দৰ্ভত চমুকৈ লিখা ।

খ) চৰ্য্যাপদৰ ভাষিক বৈশিষ্ট্য সন্দৰ্ভত চমুকৈ আলোচনা কৰা ।

গ) মাধৱদেৱে 'চোৰধৰা' ঝুমুৰাত শ্ৰীকৃষ্ণৰ শিশুকালৰ চিত্ৰ কেনেদৰে অংকন কৰিছে চমুকৈ লিখা ।

ঘ) 'কানাই পাৰ কৰা হে' শীৰ্ষক লোকগীতটোৰ মাজেৰে ৰাধা আৰু কৃষ্ণৰ প্ৰেম কেনেদৰে প্ৰকাশ পাইছে , তাৰ এক বৰ্ণনা দিয়া ।

ঙ) মাধৱদেৱে গুৰু পত্নীক কি কি উপদেশ দিছিল চমুকৈ লিখা ।

চ) 'বেউলাৰ নৃত্য' পাঠটিত বেউলাই নৃত্য কৰাৰ বাবে কেনেদৰে সাজোন কাচোন কৰিছে, তাৰ চমু আভাস দিয়া ।

**8. তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ কৰা-** ১০x৩=৩০

ক) লোকগীতৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি ইয়াৰ প্ৰকাৰ সন্দৰ্ভত আলোচনা কৰা ।

খ) 'প্ৰহ্লাদ চৰিত' কাব্যত বিষ্ণুৰ মাহাত্ম্য আৰু বিষ্ণুভক্তিৰ শ্ৰেষ্ঠত্ব কেনেদৰে প্ৰতিফলিত হৈছে আলোচনা কৰা ।

গ) বৰগীতৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি শংকৰদেৱৰ 'নাৰায়ণ কাহে ভকতি কৰো তেৰা ' বৰগীতটিৰ বিষয়বস্তুৰ আভাস দিয়া ।

ঘ) 'গড় বান্ধি যুঁজিলে সজ, প্ৰাণৰ সংশয় নাই'- কোনে কেতিয়া আৰু কি প্ৰসংগত উক্ত কথাষাৰ কৈছিল ? যাক কোৱা হৈছিল তেওঁ তাৰ উত্তৰত কি কলে- বিশদভাৱে আলোচনা কৰা ।

ঙ) হনুমন্তৰ লংকা দৰ্শনৰ বৰ্ণনা কবিয়ে কেনেকৈ দাঙি ধৰিছে তোমাৰ ভাষাত লিখা ।

চ) 'সাতসৰী অসম বুৰঞ্জী' খন কোন চনত প্ৰকাশ হৈছিল ? বুৰঞ্জীখনৰ নামাকৰণৰ বিষয়ে সম্পাদকে কি বুলি উল্লেখ কৰিছে ? ইয়াৰ অন্তৰ্গত 'অসমৰ ৰণোদ্যম' পাঠটিত প্ৰকাশ পোৱা বুৰঞ্জীৰ ভাষাৰ বৈশিষ্ট্য বিশ্লেষণ কৰা । ১+২+৭=১০

************